অসম

পৰিকল্পিত হত্যা নে আন কিবা? বাহনৰ ভিতৰতে উদ্ধাৰ চালকৰ মৃতদেহ

জাগীৰোডৰ মনহাতত পথৰ কাষৰ দ খাৱঁৈত পৰি থকা ছুইফ্ট বাহনৰ ভিতৰত চালক আশ্ৰাফুল ইছলামৰ মৃতদেহ উদ্ধাৰ হৈছে। পৰিয়ালে হত্যাৰ অভিযোগ উত্থাপন কৰিছে।

প্ৰকাশ: ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৩



জাগীৰোড, ১৫ নৱেম্বৰ:

জাগীৰোডৰ মনহাতত দেওবাৰে পুৱা পথৰ কাষৰ এটা দ খাৱঁৈত পৰি থকা নিজৰ ছুইফ্ট বাহনৰ ভিতৰত এজন চালকৰ মৃতদেহ উদ্ধাৰ হৈছে। মৃত চালকজনক মৰিগাঁও জিলাৰ দলবাৰীৰ আশ্ৰাফুল ইছলাম বুলি চিনাক্ত কৰা হৈছে।গুৱাহাটীৰ পৰা উভতি অহাৰ সময়ত বাহনখনত থকা এজন লোকৰ আচৰণক লৈ সন্দেহ প্ৰকাশ কৰিছিল চালক আশ্ৰাফুলে।

এএছ-০৪কে-৫০৫১ নম্বৰৰ বাহনখন খাৱঁৈত পৰি থকা অৱস্থাত উদ্ধাৰ হয়। ঘটনাৰ খবৰ লাভ কৰি জাগীৰোড আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে বাহনখনৰ লগতে আশ্ৰাফুলৰ মৃতদেহ উদ্ধাৰ কৰে।

পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, শনিবাৰে বুৰাবুৰীৰ পৰা কেইবাজনো লোকে বাহনখন ভাড়ালৈ লৈ গুৱাহাটীলৈ গৈছিল। গুৱাহাটীৰ পৰা উভতি অহাৰ সময়ত বাহনখনত থকা এজন লোকৰ আচৰণক লৈ

আশ্রাফুলে সন্দেহ প্রকাশ কৰিছিল।

সন্দেহ হোৱা লোকজনৰ ফোন নম্বৰ আৰু এখন ফটো আশ্রাফুলে তেওঁৰ পত্নীলৈ প্রেৰণ কৰিছিল বুলি পৰিয়ালৰ লোকে জনাইছে। সন্দেহ হোৱা লোকজনৰ ফোন নম্বৰ আৰু এখন ফটো আশ্রাফুলে পত্নীলৈ প্রেৰণ কৰিছিল বুলি জানিব পৰা গৈছে। কিন্তু তাৰ পাছৰে পৰা বন্ধ হৈ পৰে আশ্রাফুলৰ ম'বাইল ফোন। ইয়াৰ পিছতে দেওবাৰে পুৱা মনহাত পথৰ কাষৰ দ খাৱৈত বাহনখন পৰি থকা অৱস্থাত উদ্ধাৰ হয়।

ঘটনাস্থলীত আৰক্ষী, তদন্তৰ দাবী

ঘটনাৰ খবৰ লাভ কৰি জাগীৰোড আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে বাহনখনৰ লগতে চালকজনৰ মৃতদেহ উদ্ধাৰ কৰে। ঘটনাটোৰ উচিত তদন্ত কৰি মৃত্যুৰ প্রকৃত কাৰণ পোহৰলৈ অনাৰ দাবী জনাইছে পৰিয়ালৰ লোকে।আশ্রাফুলৰ মৃত্যুক দুর্ঘটনা বুলি মানি ল'বলৈ অস্বীকাৰ কৰিছে পৰিয়ালৰ লোকে। তেওঁলোকৰ অভিযোগ, আশ্রাফুলক হত্যা কৰি ঘটনাটোক দুর্ঘটনাৰ ৰূপ দিবলৈ বাহনখন খাৱৈত ঠেলি পেলাই দিয়া হৈছে। অৱশ্যে এই অভিযোগ এতিয়াও তদন্তত প্রমাণিত হোৱা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3263/jagiroad-driver-body-swift-vehicle